# Delhi Dialogue VII-‘ASEAN-India: Shaping the Post 2015 Agenda’

# দিল্লী ডায়েলগ–VII–‘আছিয়ান–ভাৰত:২০১৫ পৰবৰ্তী ভবিষ্যতৰ ৰূপৰেখা নিমাৰ্ণ

১০ মাৰ্চ ২০১৫

১. আছিয়ান –ভাৰত ষ্ট্ৰ্যাটেজিক অংশীদ্বাৰিত্বক সুদৃঢ় কৰাৰ উদ্দেশ্যৰে আৰু আচিয়ান–ভাৰতৰ সম্পৰ্কৰ সকলো অৰ্ন্তনিহিত বিষয়সমুহ সম্পৰ্কে বৌদ্বক চিন্তাধাৰাৰ উদ্দেশ্যে ট্ৰ্যাক–১.৫ আলোচনা প্ৰক্ৰিয়াৰ নাম দিল্লী ডায়লোগ ।

২. অহা ১১–১২ মাৰ্চ ২০১৫ তাৰিখে যথাক্ৰমে দিল্লীৰ হোটেল ওবেৰয়ত আৰু আইডিএচএত দিল্লী ডায়েলোগৰ সপ্তম পৰ্যায় অনুৰ্ষ্ঠিত হব ।দুয়োপক্ষৰ ৰাজনৈতিক নেতা,নীতি প্ৰণয়নকাৰী উচ্চস্তৰীয় আমোলা বিষয়া,কূটনীতিবিদ্, ব্যৱসায়ী প্ৰতিনিধি,বুদ্ধিজীৱি,শিক্ষাবিদ সকলে দুদিনধৰি অনুৰ্ষ্ঠিত হবলগীয়া আলোচনাত অংশগ্ৰহন কৰিব ।

৩. ভাৰত চৰকাৰৰ ভাৰত চৰকাৰৰ বিদেশমন্ত্ৰনালয়ৰ ইনষ্টিটিউট ফৰ ডিফেন্স ষ্টাডিজ এন্ড অ্যানালিচিচ(আইডিএচএ),দ্য ফেডাৰেশ্বন অৱ ইন্ডিয়ান চেম্বাৰ্চ অৱ কমাৰ্চ অ্যান্ড ইন্ডাষ্ট্ৰিজ(ফিকি),ইন্ডিয়ান কাউন্সিল অৱ ৱৰ্ল্ড অ্যাফেয়াৰ্চ(আইচিডব্লিউএ),চিঙ্গাপুৰৰ ইনষ্টিটিউট অৱ চাউথ ইন্ডিয়ান ষ্টাডিজ(আইএচএএচ),চিঙ্গাপুৰৰ **SAEA** গ্ৰুপ ৰিচাৰ্চ,মালেইছিয়াৰ দ্য

ইনষ্টিটিউট অৱ ষ্ট্যাটেজিক অ্যান্ড ইন্টাৰনেশ্বনেল ষ্টাডিজ(আইএচএচ),নতুন দিল্লীৰ আছিয়ান–ভাৰত চেন্টাৰ,জার্কাতাৰ আছিয়ান আৰু পূর্বৰ এছিয়া বিষয়ক ইকনোমিক ৰির্চাচ(ইআৰআইএ),থাইল্যান্ডৰ দ্যা ইনষ্টিটিউট অৱ চিকিউৰিটি এন্ড ইন্টাৰনেশ্বনেল ষ্টাডিজ এন্ড ইন্ডিয়ান কাউন্সিল ফৰ ৰির্চাচ্ অন ইন্টাৰনেশ্বনেল ইকনোমিক ৰিলেশ্বনচ(আইচিআৰআইইআৰ),দ্য কনফেডাৰেশ্বন অৱ ইন্ডিয়ান ইন্ডাষ্ট্রিজ(চিআইআই),দ্য এছোচিয়েটেড চেম্বার্চ অৱ কমার্চ এন্ড ইন্ডাষ্ট্রি অৱ ইন্ডিয়া(অ্যাচোচেম),মোম্বাইৰ অল ইন্ডিয়া এছোছিয়েশ্বন অৱ ইন্ডাষ্ট্রিজ(এআইএআই)আৰু কলিকতাৰ ইন্ডিয়ান চেম্বার্চ অৱ কমার্চ(আইচিচি)ৰ সহযোগিতাত **DD** VII –ইয়াৰ আয়োজন কৰা হৈছে ।

৪. এই বছৰৰ আলোচনাৰ বিষয় হৈছে –'আছিয়ান–ভাৰত:২০১৫ বর্ষৰ পৰবর্তী ভবিষ্যত ৰূপৰেখা নির্মাণ'দিল্লী ডায়েলোগ –**VII** ক তিনিটা ভাগত বিভক্ত কৰা হৈছে – উদ্বোধনী,বাণিজ্য বিষয়ক আৰু বৌদ্ধিক চিন্তাধাৰা । ১১ মার্চ ২০১৫ তাৰিখৰ সন্ধিয়া বিদেশ মন্ত্রী গৰাকীয়ে অধিবেশনৰ উদ্বোধন কৰিব ।তেওঁ অধিবেশনৰ মুল উদ্দেশ্য সম্বন্ধিতে ভাষণ পাঠ কৰিব ।

৫. এই অধিবেশনত যিসকলে অংশগ্রহণ কৰিব বুলি নিশ্চিত কৰিছে তাৰ ভিতৰত আছে থাইলেন্ডৰ উপপ্রধানমন্ত্রী আৰু বিদেশমন্ত্রী সন্মানীয় জেনেৰেল তানাচাক পতিমাগ্রাগন,কম্বোডিয়াৰ শিক্ষা,যুব আৰু ক্রীয়া বিভাগৰ মন্ত্রী সন্মানীয় ড:হান ছুয়ন নাৰোন,ইন্দোনেছিয়াৰ বিদেশ মন্ত্রনালয়ৰ সহকাৰী মন্ত্রী সন্মানীয় মি:এ এম ফাচিৰ, ম্যানমাৰৰ উপবিদেশ মন্ত্রী মি:উ তিন উ লুইন, আছিয়ান সচিবালয়ৰ উপমহাসচিব সন্মানীয় ড: একেপি মোখতান,লাওচৰ ইনষ্টিটিউট অব ফৰেইন অ্যাফেয়ার্চৰ মহাঅধিকর্তা সন্মানীয় মি:ইয়ং চানথালাংচি,ব্রুনেই ডাৰএচচালামৰ বিদেশ আৰু বাণিজ্য

মন্ত্রনালয়ৰ স্থায়ী সচিব সন্মানীয় দাটো পাডুকা হাজি এৰিয়ান বিন পেহিন ইউছুফ,মালয়ছিয়াৰ বিদেশ মন্ত্রনালয়ৰ উপমহাসচিব সন্মানীয় দাটো ৰামলাল ইব্রাহীম,চিংগাপুৰৰ বিদেশ মন্ত্রনালয়ৰ উপসচিব (আৰ্ন্তজাতিক বিষয়)সন্মানীয় মি:চাইমন অং,ফিলিপাইনৰ উষ্চশিক্ষা নিগমৰ এগজিউকিটিভ অধিকৰ্তা সন্মানীয় মি: আট্টি জুলিটো ডি ভিট্রিওলো আৰু ভিয়েটনামৰ ভাৰতত নিযুক্ত ৰাষ্ট্রদূত সন্মানীয় মি: হন টন চিন থান ।

৬. ‘ভাৰত-আছিয়ানৰ মাজত যোগাযোগ নিমাৰ্ণ’ আৰু ‘ভাৰত-আছিয়ান ষ্ট্ৰ্যাটেজিক অংশীদাৰিত্বৰ ভবিষ্যত ৰূপৰেখা’ বিষয়ে ভাষণ আৰু নিৰ্বাচিত বক্তা সকলৰ বক্তব্য দাঙি ধৰিব ।ভাৰত আৰু আছিয়ানৰ মাজত সেতু বন্ধনৰ লক্ষ্যৰে আৰু ভাৰতৰ ‘এক্ট ইষ্ট’ নীতিৰ উন্নয়নৰ অংশ হিচাপে উত্তৰ-পূৱ ভাৰতৰ মুখ্যমন্ত্রী সকলৰ যোগাযোগ বিষয়ৰ সম্পৰ্কে মতামত আগবঢ়োৱাৰ বাবে আমন্ত্রণ জনোৱা হৈছে । মনিপুৰৰ মুখ্যমন্ত্রী মি: ওকৰাম ইবোবি,মেঘলয়ৰ মুখ্যমন্ত্রী মি: ড: মুকুল চাংমা ,নাগালেণ্ডৰ মুখ্যমন্ত্রী মি:টি আৰ জেলিয়াং আৰু অসমৰ পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী শ্রীমতী অজন্ত নেওগে অংশগ্রহণ কৰিব ।

৭. এই প্ৰথম খন **DD VII**-ত এখন অধিবেশন কেবলমাত্র বাণিজ্য সংক্রান্তিয় বিষয়ে ৰখা হৈছে ।এই অধিবেশন হব ১১ মাৰ্চ ২০১৫ তাৰিখে ।আছিয়ান সচিবালয়ৰ উপমহাসচিব সন্মানীয় ড: এ কে পি মোখতান বাণিজ্য সম্পৰ্কে বিষয়ৰ মূল ভাষণ আগবঢ়াব । তাৰ পাছত ‘আছিয়ান ইকনোমিক কমিউনিটি:আছিয়ান আৰু ভাৰতীয় উদ্যোগৰ ক্ষেত্ৰত সুফলৰ সম্ভাৱনা‘, বিশেষকৈ ভাৰতৰ মেক ইন ইন্ডিয়াত আছিয়ানৰ যোগদানৰ বিষয় সম্বন্ধে কেন্দ্ৰীভূত কৰা হয় আৰু ভাৰতৰ আঞ্চলিক উতপাদন সমূহৰ নেটৱৰ্ক আৰু মুল্যযুক্ত পণ্যৰ বিপণন মালা বিষয়ে আৰু ‘ভবিষ্যতৰ আৰ্থিক সহযোগিতাৰ মুল চালিকা শক্তি হিচাবে বিনিয়োগ বাণিজ্যৰ ভূমিকা: ভাৰত

আৰু আছিয়ানৰ মতামত' বিষয়ে দুখন আলোচনা চক্রও অনুষ্ঠিত হব ।য়ত এই বিষয়ে মতামত বিনিময় কৰা হব ।

৮. নতুন দিল্লীৰ ইনষ্টিটিউত ফৰ ডিফেন্স, ষ্টাডিজ এন্ড অ্যানালিছিছ সংস্থাত ১২ মাৰ্চ ২০১৫ তাৰিখে বৌদ্ধিক অধিবেশন অনুষ্ঠিত হব ।এই সমুহ হল – ভুৰাজনৈতিক, সামাজিক-সাংস্কৃতিক,আৰ্থিক বিষয় আৰু অগ্রগতিৰ ৰূপৰেখা ।আলোচনা চক্রত অংশগ্রহনকাৰী সকলে যিবোৰ বিষয় সম্বন্ধে সুনিশ্চিত মতামত প্রকাশ কৰিব সেইবোৰ বিষয় হল –সামুদ্রিক নিৰাপত্তা,জ্ঞানপ্রাপ্ত সমাজ নিৰ্মাণ,পাৰস্পৰিক ডিগ্রীৰ স্বীকৃতি সহ শিক্ষা আৰু প্রশিক্ষণ,সাংস্কৃতিক সম্পৰ্ক সুদৃঢ় কৰা আৰু জনসাধাৰনৰ সৈতে জনসাধাৰনৰ সম্পৰ্ক বৃদ্ধি,আঞ্চলিক উতপাদন নেটৱৰ্ক আৰু মুল্যয়ুক্ত পণ্য বিপিনিৰ মাজত এক যোগসূত্র প্রস্তুত কৰা,আন্ত:গাঠনি আৰু যোগাযোগ আৰু আছিয়ান–ভাৰতৰ ভবিষ্যত সম্পৰ্কৰ অগ্রগতিৰ ৰূপৰেখা নিৰ্মাণৰ বিষয়সমুহ ।এই সকলো আলোচনাৰ অভিমুখ হব ভাৰত আৰু আছিয়ানৰ ষ্ট্রেটেজিক অংশীদাৰিত্বৰ দীৰ্ঘম্যাদী ভাবে শক্তিশালী কৰা ।

৯. দিল্লী ডায়েলোগৰ সপ্তমৰ পৰ্যায়ৰ পাছতেই ১৪ মাৰ্চ ২০১৫ তাৰিখে সপ্তদশ আছিয়ান–ভাৰত উচ্চপৰ্যায়ৰ আমোলা সকলৰ বৈঠক অনুষ্ঠিত হব যত দ্বাদশ ভাৰত–আছিয়ান শীৰ্ষ সন্মিলনৰ বাস্তৱ ৰূপায়নৰ আৰু আছিয়ান–ভাৰতৰ সহযোগিতাৰ ২০১৬–২০২১ বৰ্ষৰ পৰবৰ্তী পদক্ষেপৰ পৰিকল্পনাৰ ৰূপৰেখাৰ লগতে ভাৰত–আছিয়ান ষ্ট্যাটেজিক অংশীদ্বাৰিত্বৰ যাবতীয় বিষয়সমুহ সম্বন্ধে আলোচনা অনুষ্ঠিত হব ।

১০. ১১ মাৰ্চ ২০১৫ তাৰিখেৰ উদ্বোধনী অধিবেশন আৰু ১২ মাৰ্চ ২০১৫ তাৰিখৰ চাৰিটা বৌদ্ধিক অধিবেশনৰ একেলগে ৱেবকাষ্ট সম্প্রসাৰণ দেখিবলৈ পোৱা যাব ।

নতুন দিল্লী

১০ মার্চ ২০১৫